# অসম বিধান সভা
# তৰাযুক্ত প্ৰশ্ন নং: ২৩৩
# উত্তৰ দিয়া তাৰিখ: ২৭/০৭/২০২৬

বিষয় : পশু চিকিৎসালয় / কৰ্মচাৰীৰ সংখ্যা

শ্ৰী তাঞ্জিল হুছেইন:বিধায়ক

মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰ্তমান নগাঁও জিলাত কিমানখন ৰাজ্যিক পশু চিকিৎসালয় আছে ? উক্ত চিকিৎসালয় সমূহত কিমানজন পশু চিকিৎসক কৰ্মৰত হৈ আছে আৰু কিমান পদ খালী হৈ আছে ? বিতং তথ্য সদনত দাখিল কৰিব।

(খ) নগাঁও জিলাত বৰ্তমানে পশুপালন বিভাগৰ অধীনত কি কি আঁচনিৰ কাম চলি আছে ?

(গ) ৫৮ নং চামগুৰী বিধানসভা সমষ্টিত কিমানখন পশুচিকিৎসালয় আছে ? বৰ্তমানে কিমানখন পশুচিকিৎসালয় কাৰ্য্যক্ষম হৈ আছে আৰু কিমানখন বিকল হৈ আছে ? বিকল হৈ থকা চিকিৎলাসয় সমূহ কেতিয়ালৈ কাৰ্য্যক্ষম হৈ উঠিব ?

**: উত্তৰ :**

মাননীয় পশু পালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়া শ্ৰীমতী নীলিমা দেৱীয়ে উত্তৰ দিব :

(ক) নগাঁও জিলাত ১৯ খন ৰাজ্যিক পশুচিকিৎসালয় আছে।

উক্ত চিকিৎসালয়সমূহত ১৭ জন পশু চিকিৎসক নিয়োজিত হৈ আছে আৰু ২টা পশু চিকিৎসকৰ পদ খালী হৈ আছে। বিতং তথ্য পৰিশিষ্ট “ক” ত দিয়া হৈছে।

খ) নগাঁও জিলাত বৰ্তমান চলি থকা আঁচনি সমূহ হ'ল:-
১) কৃত্ৰিম গো প্ৰজনন।
২) এল এইচ ডি চি পি ৰ অধীনত চবকা/পিপি আৰ/চি এছ এফ/ ক্ৰুছেলা ৰ টিকাকৰণ ।
৩) কিষান ক্ৰেডিট কাৰ্ড ।
৪) ৰাষ্ট্ৰীয় পশুধন অভিযান ।
৫) এছকাড ৰ অধীনত লাম্পী স্কিন ডিজিজ / এইচ এছ/এইচএছ বি কিউ প্ৰতিষেধক /এন্টি'ৰেবিজ প্ৰতিষেধক / আৰ ২ বি প্ৰতিষেধক/এফ ১ প্ৰতিষেধক ৰ টিকাকৰণ।

পশুপালন বিভাগৰ অধীনত দুগ্ধ উন্নয়ন সঞ্চালকালয়ৰ দ্বাৰা নগাঁও জিলাত বৰ্তমানে পঞ্জীয়নভুক্ত দুগ্ধ সমবায় সমিতিৰ সদস্যসকলৰ বাবে প্ৰতিলিটাৰ গাখীৰত ৫.০০ (পাঁচ) টকা ৰাজসাহাৰ্য্য আঁচনি ৰূপায়ন কৰি থকা হৈছে।

গ) নগাঁও জিলাৰ ৫৮ নং চামগুৰি বিধান সভা সমষ্টিত বৰ্তমান ৪ খন পশুচিকিৎসালয় আছে আৰু বৰ্তমান আটাইকেইখনেই কৰ্য্যকৰী হৈ আছে।

*উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰন কৰা হৈছে*

***********

# **পৰিশিষ্ট “ক”**

নগাঁও জিলাৰ ১৭ খন ৰাজ্যিক পশু চিকিৎসালয়ত কৰ্মৰত পশুচিকিৎসকৰ সংখ্যা তলত তালিকা আকাৰে দিয়া হল:-

| ক্ৰমিক নং | চিকিৎসালয়ৰ নাম | পশু চিকিৎসকৰ সংখ্যা |
|---|---|---|
| ১ | ৰাজ্যিক পশু চিকিৎসালয়, নগাঁও | ১ |
| ২ | ৰাজ্যিক পশু চিকিৎসালয়, কুজিকাহুৰাটি | ১ |
| ৩ | ৰাজ্যিক পশু চিকিৎসালয়, কুঁৱৰীতোল | ১ |
| ৪ | ৰাজ্যিক পশু চিকিৎসালয়, জুৰীয়া | ১ |
| ৫ | ৰাজ্যিক পশু চিকিৎসালয়, লাইলুৰী | ১ |
| ৬ | ৰাজ্যিক পশু চিকিৎসালয়, ডুমডুমীয়া | ১ |
| ৭ | ৰাজ্যিক পশু চিকিৎসালয়, ৰহা | ১ |
| ৮ | ৰাজ্যিক পশু চিকিৎসালয়, শিৰস্থান | ১ |
| ৯ | ৰাজ্যিক পশু চিকিৎসালয়, কটাহগুৰি | ১ |
| ১০ | ৰাজ্যিক পশু চিকিৎসালয়, ধিং | ১ |
| ১১ | ৰাজ্যিক পশু চিকিৎসালয়, ফাকালি | ১ |
| ১২ | ৰাজ্যিক পশু চিকিৎসালয়, চামগুৰি | ১ |
| ১৩ | ৰাজ্যিক পশু চিকিৎসালয়, কামপুৰ | ১ |
| ১৪ | ৰাজ্যিক পশু চিকিৎসালয়, সদৰ | ১ |
| ১৫ | ৰাজ্যিক পশু চিকিৎসালয়, পুৰণিগুদাম | ১ |
| ১৬ | ৰাজ্যিক পশু চিকিৎসালয়, বৰহমপুৰ | ১ |
| ১৭ | ৰাজ্যিক পশু চিকিৎসালয়, মাগুৰগাঁও | ১ |

পশু চিকিৎসকৰ পদ খালী থকা পশুচিকিৎসালয় সমূহ হৈছে:

| ক্ৰমিক নং | পশু চিকিৎসালয়ৰ নাম | পদৰ সংখ্যা |
|---|---|---|
| ১ | হাতীচোং ৰাজ্যিক পশু চিকিৎসালয় | ১ |
| ২ | পেটবড়া ৰাজ্যিক পশু চিকিৎসালয় | ১ |

*************